**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

-----------------------------

১। জ্যেষ্ঠ বিজেপি নেতা ওম বিৰলা একেৰাহে দ্বিতীয়বাৰৰ লোকসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিৰোধী দলপতি ৰাহুল গান্ধীকে ধৰি বিশিষ্ট ব্যক্তিসকলে শ্ৰীবিৰলাক অভিনন্দন জনাইছে।

২। ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ সৈতে সংগতি ৰাখি ভাৰততো আজি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে লোকসভা অধ্যক্ষ পদৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰা কাৰ্যক লৈ কংগ্ৰেছ দলক সমালোচনা কৰিছে।

৪। উচ্চতম ন্যায়ালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালক দিল্লী উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই তেওঁ দাখিল কৰা আবেদনখন প্ৰত্যাহাৰ কৰিবলৈ অনুমতি প্ৰদান কৰিছে।

**আৰু**

৫। আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া ছেমি ফাইনেলত আফগানিস্তান দক্ষিণ আফ্ৰিকাৰ আৰু ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

জ্যেষ্ঠ বিজেপি সাংসদ ওম বিৰলা পুনৰ লোকসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। পদটোৰ বাবে সাংসদ কে সুৰেশক প্ৰক্ষেপ কৰা কংগ্ৰেছ দলে সদনত ভোটগ্ৰহণৰ দাবী উত্থাপন নকৰাৰ পৰিপ্ৰেক্ষিতত পূৰ্বৰ লোকসভাৰ অধ্যক্ষগৰাকী মৌখিক ভোটত একেৰাহে দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হয়। ইয়াৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিৰোধী দলপতি ৰাহুল গান্ধী আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে তেওঁক অধ্যক্ষৰ আসনলৈ আগবঢ়াই নিয়ে। ইয়াৰ পূৰ্বে আজি পুৱা সদন মিলিত হোৱা সময়তে প্ৰধানমন্ত্ৰী মোদী আৰু এন ডি এৰ আন ১২ গৰাকী নেতাই লোকসভাৰ অধ্যক্ষ পদৰ বাবে শ্ৰীবিৰলাৰ নাম প্ৰস্তাৱ কৰে। আনহাতে বিৰোধী পক্ষৰ হৈ শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ নেতা অৰবিন্দ সাৱন্ত, এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলে আৰু সমাজবাদী পাৰ্টিৰ সাংসদ আনন্দ ভাদৌৰীয়াই কংগ্ৰেছ সাংসদ কে সুৰেশৰ নাম প্ৰস্তাৱ কৰে।

অধ্যক্ষ পদৰ বাবে শ্ৰীবিৰলা নিৰ্বাচিত হোৱাৰ লগে লগে ইতিহাসৰ সৃষ্টি হ'ল বুলি মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, সদনত পৰৱৰ্তী ৫ বছৰৰ বাবে শ্ৰীবিৰলাই আগবঢ়াবলগীয়া দিহা-পৰামৰ্শৰ বাবে সকলোৱে আগ্ৰহেৰে অপেক্ষা কৰিছে। এগৰাকী সাংসদ হিচাপে শ্ৰীবিৰলাৰ ভূমিকা সংসদৰ নতুন সদস্যসকলৰ বাবে অনুপ্ৰেৰণাৰ কাৰণ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অধ্যক্ষগৰাকীৰ নেতৃত্বত পূৰ্বৰ লোকসভাত কেইবাখনো ব্যতিক্ৰমী বিধেয়ক গৃহীত হৈছিল বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, সাংসদসকলৰ আচাৰ-ব্যৱহাৰ আৰু দায়বদ্ধতাই সংসদীয় গণতন্ত্ৰৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি কৰে।

একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও লোকসভাৰ অধ্যক্ষ হিচাপে পুনৰ নিৰ্বাচিত হোৱা বাবে শ্ৰীবিৰলাক অভিনন্দন জনাইছে।

বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়েও নৱনিৰ্বাচিত অধ্যক্ষ শ্ৰীবিৰলাক অভিনন্দন জনাই কয় যে, এই সদনে জনসাধাৰণৰ কণ্ঠক প্ৰতিনিধিত্ব কৰে। সদনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত বিৰোধী পক্ষই সহায় সহযোগিতা আগবঢ়াব বুলিও তেওঁ শ্ৰীবিৰলাক নিশ্চিত কৰি দিয়ে। তেওঁ লগতে কয় যে, বিশ্বাস আৰু আস্থাৰ লগতে বিৰোধী পক্ষৰ ব্যক্ত্যব উত্থাপনৰ বাবে লাভ কৰা অনুমতিৰ জৰিয়তে সকলো পক্ষৰ সহযোগিতা সম্ভৱ হৈ উঠে। একেদৰে সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱেও বিৰোধী পক্ষই তেওঁলোকৰ ব্যক্তব্য উত্থাপনৰ বাবে প্ৰয়োজনীয় সময় লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। আনহাতে তৃণমূল কংগ্ৰেছৰ সাংসদ সুদীপ বন্দোপাধ্যায়ে সপ্তদশ লোকসভাত বিৰোধী দলৰ সাংসদৰ বৰ্খাস্তকৰণৰ প্ৰসংগটো উত্থাপন কৰি কয় যে, সদনত উপযুক্ত আলাপ-আলোচনাৰ জৰিয়তেহে বিধেয়ক গৃহীত হোৱা উচিত। ০০

০০০০০০০

বিভিন্ন কাৰ্যসূচীৰে আজি আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস পালন কৰা হৈছে। ভাৰততো ড্ৰাগছ সেৱনৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে কেইবাটাও ৰেলী, কাৰ্যসূচী আৰু অভিযান গ্ৰহণ কৰা হয়। এই দিৱসৰ বিষয়বস্তু হৈছে THE EVIDENCE IS CLEAR : INVEST AND PREVENTION। ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ ৰোধ কৰাৰ বাবে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে আজি পুৱা শ্ৰীনগৰত **ৰাক ফৰ য়ুথ** কাৰ্যসূচীৰ আয়োজন কৰা হয়। মণিপুৰত মুখ্যমন্ত্ৰী এন বিৰেন সিঙে ৰাজ্যখনৰ আৰক্ষী বিভাগে এই দিৱসৰ বাবে আয়োজন কৰা মটৰচাইকেল ৰেলীৰ পতাকা জোকাৰি মুকলি কৰে। আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উপলক্ষে নিচাযুক্ত দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ'ৰে যোৱা ১২ জুনৰ পৰা **নিচামুক্ত ভাৰত পষেক** পালন কৰিছে। এই সময়ছোৱাত ব্যুৰ'ৰে নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰৰ বিৰুদ্ধে বিভিন্ন সজাগতা কাৰ্যসূচী গ্ৰহণ কৰিছে। ইফালে চৰকাৰে ড্ৰাগছমুক্ত ভাৰতৰ প্ৰতিশ্ৰুতি পুনৰবাৰ দোহাৰিছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে লোকসভা অধ্যক্ষ পদৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰা কাৰ্যক লৈ কংগ্ৰেছ দলক সমালোচনা কৰিছে। সংসদ ভৱনৰ বাহিৰত সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত তেওঁ আজি কয় যে, উপাধ্যক্ষৰ পদটোক লৈ আলোচনা কৰাৰ বাবে চৰকাৰ সাজু আছিল যদিও বিষয়টোক লৈ পূৰ্ব চৰ্ত আৰোপ কৰাটো উচিত হোৱা নাই। আন এগৰাকী কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন ওৰফে লালন সিঙে বিষয়টোক লৈ কংগ্ৰেছ দলক সমালোচনা কৰি, লোকসভাৰ অধ্যক্ষ নিৰ্বাচনৰ প্ৰসংগক লৈ দলটোৱে চাপ প্ৰয়োগৰ ৰাজনীতিৰ আশ্ৰয় লোৱা বুলি অভিযোগ কৰে।

আনহাতে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয় যে, লোকসভা অধ্যক্ষ নিৰ্বাচনৰ প্ৰসংগক লৈ চৰকাৰ আৰু বিৰোধী পক্ষৰ মাজত কোনোধৰণৰ আলোচনা হোৱা নাছিল। পদটোৰ বাবে নিৰ্বাচন হ'বলগীয়া পৰিস্থিতি হোৱা বাবেই দলটোৱে নিজাববীয়াকৈ মনোনয়ন দাখিল কৰা বুলি তেওঁ লগতে প্ৰকাশ কৰে। ইপিনে কংগ্ৰেছ দলৰ আন এগৰাকী নেতা গৌৰৱ গগৈয়ে কয় যে, শাসকীয় দলটোৱে তেওঁলোকৰ দৃষ্টিভংগী সলনি কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। ২০২৪ চনৰ আগৰ আৰু ইয়াৰ পাছৰ সংসদৰ পৰিস্থিতি সম্পূৰ্ণ বেলেগ বুলি দলটোৱে অনুধাৱন কৰা উচিত বুলিও তেওঁ লগতে মত প্ৰকাশ কৰে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালক দিল্লী উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই তেওঁ দাখিল কৰা আবেদনখন প্ৰত্যাহাৰ কৰিবলৈ অনুমতি প্ৰদান কৰিছে। সুৰা নীতি সম্পৰ্কীয় কেলেংকাৰিৰ অভিযোগৰ সৈতে জড়িত অবৈধ ধনৰ লেনদেনৰ গোচৰত শ্ৰীকেজৰিৱালে লাভ কৰা জামিনৰ ক্ষেত্ৰত স্থগিতাদেশ জাৰি কৰাৰ বাবে দিল্লী উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা সিদ্ধান্তক প্ৰত্যাহ্বান জনাই তেওঁ এই আবেদন দাখিল কৰিছিল। দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীৰ হৈ আদালতত হাজিৰ হোৱা জ্যেষ্ঠ অধিবক্তা এ এম সিংভিয়ে ন্যায়াধীশ মনোজ মিশ্ৰ আৰু ন্যায়াধীশ এছ ভি ভাট্টিক লৈ গঠিত বিচাৰপীঠখনক এইবুলি অৱগত কৰাই যে, উচ্চ ন্যায়ালয়ৰ শেহতীয়া নিৰ্দেশটোক প্ৰত্যাহ্বান জনাবৰ বাবে নতুনকৈ আন এখন আবেদন দাখিল কৰাৰ উদ্দেশ্যে তেওঁ পূৰ্বৰ আবেদনখন প্ৰত্যাহাৰ কৰিবলৈ বিচাৰে।

উল্লেখযোগ্য যে আপৰ নেতাগৰাকীৰ জামিন মঞ্জুৰ কৰি বিচাৰ আদালতে দিয়া নিৰ্দেশত দিল্লী উচ্চ ন্যায়ালয়ে কালি স্থগিতাদেশ জাৰি কৰিছিল। বিচাৰ আদালতখনে বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ অভিযোগসমূহৰ শুনানি উপযুক্ত ধৰণে গ্ৰহণ নকৰা বুলি মত পোষণ কৰি উচ্চ ন্যায়ালয়ে এই সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে উত্থাপিত অভিযোগৰ সৈতে শ্ৰীকেজৰিৱাল জড়িত থকাৰ কোনো প্ৰত্যক্ষ প্ৰমাণ দাখিল কৰাত বিধি বলৱৎকাৰী সঞ্চালকালয় বিফল হোৱা বুলি মত পোষণ কৰি ৰাষ্ট্ৰীয় ৰাজধানীৰ ৰাউজ এভিনিউ আদালতে যোৱা ২০ জুনত তেওঁক মুক্তিদানৰ নিৰ্দেশ দিছিল। পৰৱৰ্তী সময়ত উচ্চতম ন্যায়ালয়ৰ সংশ্লিষ্ট বিচাৰপীঠখনে শ্ৰীকেজৰিৱালৰ তাৎক্ষণিক মুক্তিৰ বিষয়টোত হস্তক্ষেপ কৰি দিল্লী উচ্চ ন্যায়ালয়ৰ আজি হ'বলগীয়া চূড়ান্ত ৰায়দানৰ বাবে অপেক্ষা কৰাৰ সিদ্ধান্ত লৈছিল।

উল্লেখযোগ্য যে দিল্লীৰ সুৰা নীতি সম্পৰ্কীয় কেলেংকাৰিৰ অভিযোগৰ সৈতে জড়িত অবৈধ ধনৰ লেনদেনৰ গোচৰত বিধি বলৱৎকাৰী সঞ্চালকালয়ে যোৱা ২১ মাৰ্চত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰাৰ বাবে উচ্চতম ন্যায়ালয়ে যোৱা ১০ মে'ত তেওঁক জামিনত মুকলি কৰি দিছিল। পৰৱৰ্তী সময়ত সৰ্বোচ্চ ন্যায়ালয়খনে তেওঁৰ জামিনৰ ম্যাদ বৃদ্ধি কৰিবলৈ অসন্মতি প্ৰকাশ কৰাৰ পৰিপ্ৰেক্ষিতত ২ জুনৰ পৰা তেওঁ পুনৰ কাৰাবাস খাটিবলগীয়া হয়।

০০০০০০০

নাগালেণ্ডত আজি পুৱাৰে পৰা নগৰীয়া স্থানীয় সংস্থাৰ নিৰ্বাচন অনুষ্ঠিত হৈছে। এই নিৰ্বাচন পুৱা চাৰে ৭ বজাৰ পৰা আৰম্ভ হৈছে আৰু বিয়লি ৪ বজাত অন্ত পৰিব। মহিলাৰ ৩৩ শতাংশ আসন সংৰক্ষণ নীতিৰে নাগালেণ্ডত এই প্ৰথমবাৰৰ বাবে পৌৰ নিৰ্বাচন অনুষ্ঠিত হৈছে।

০০০০০০০

সমাজবাদী দলৰ নেতা অখিলেশ যাদৱে আজি লোকনায়ক হাস্পতালত চিকিৎসাধীন দিল্লীৰ জলমন্ত্ৰী আতিশীক সাক্ষাৎ কৰি তেওঁৰ স্বাস্থ্যৰ বুজ লয়। হাৰিয়ানাৰ পৰা পৰ্যাপ্ত পৰিমানৰ পানীৰ দাবীত যোৱা ২১ জনুৰ পৰা অনশনত বহা মন্ত্ৰী আতিশীৰ তেজত শৰ্কৰাৰ পৰিমান কমি যোৱাৰ ফলত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০০

মধ্য অসমৰ চাৰিখন জিলা শোণিতপুৰ, বিশ্বনাথ, নগাঁও আৰু মৰিগাঁৰৰ বাবে অহা ২৩ জুলাইৰ পৰা ২৭ জুলাইলৈ শোণিতপুৰৰ ষ্টেডিয়ামত অগ্নিবীৰ প্ৰাৰ্থীৰ পৰীক্ষা অনুষ্ঠিত হ'ব। ভাৰতীয় সেনাই এখন বিজ্ঞপ্তিৰ জৰিয়তে এই কথা ঘোষণা কৰিছে।

০০০০০০০

আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া ছেমি ফাইনেলত আফগানিস্তান দক্ষিণ আফ্ৰিকাৰ আৰু ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কাইলৈ পুৱা ত্ৰিনিদাদৰ ব্ৰায়ন লাৰা ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেল আফগানিস্তান আৰু দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত হোৱাৰ বিপৰীতে আনখন খেল নিশা গায়ানাত অনুষ্ঠিত হ'ব। এই খেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন শনিবাৰে বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত